For the English translation of this document, http://atributetosankaradeva.org/A_Tribute_to_Madhavadeva.pdf

# শ্ৰীশ্ৰীমাধৱদেৱৰ স্মৃতিত পুষ্পাঞ্জলি

আদৰ্শবাদৰ কাৰণে সাংসাৰিক সৰ্বস্ব-ত্যাগ কৰা বা প্ৰয়োজন হ'লে নিজৰ প্ৰাণ পৰ্যন্ত আহুতি দিবলৈ সংকোচ নকৰা কোনো কোনো লোকৰ আৱিৰ্ভাৱ কাল স্থান নিৰ্বিশেষে যুগে যুগে ঘটি আহিছে। জনসাধাৰণৰ সেইসকল লোকেই পথ প্ৰদৰ্শক জনসাধাৰণৰ অন্তৰত তেওঁলোকেই মহৎ ব্যক্তি বা মহাপুৰুষৰূপে চিৰস্মৰণীয়। শ্ৰীকৃষ্ণ; বুদ্ধ, চক্ৰেটীচ, যীশু, মহম্মদ আদিৰ জন্ম হৈছিল মানৱ জাতিৰ কল্যাণ সাধনৰ কাৰণেই। এই মহৎ উদ্দেশ্য সাধনৰ কাৰণে অনেক মহৎ পুৰুষৰ জন্মস্থান ভাৰতৰ এচুকত থকা সীমামূৰিয়লী অসমতো শ্ৰীমন্ত শঙ্কৰদেৱ, শ্ৰীশ্ৰীমাধৱদেৱ, শ্ৰীশ্ৰীদামোদৰদেৱ আদিৰ আৱিৰ্ভাৱ হৈছিল।

আমাৰ আলোচ্য মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱ। তেখেতৰ জীৱন কাল প্ৰধানকৈ তিনি ভাগত ভগাব পাৰি; (১) তেখেতৰ জন্মৰ পৰা শ্ৰীমন্ত শঙ্কৰদেৱৰ ওচৰত নিজক সমৰ্পণ কৰালৈ (১৪৮৯ খৃঃৰ পৰা ১৫২২ খৃঃ) ; (২) শ্ৰীমন্ত শঙ্কৰদেৱৰ ওচৰত শৰণ গ্ৰহণ কৰাৰ পৰা শ্ৰীমন্ত শঙ্কৰদেৱৰ তিৰোভাৱ পৰ্যন্ত (১৫২২ খৃঃ-১৫৬৮ খৃঃ) আৰু (৩) শ্ৰীমন্ত শঙ্কৰদেৱৰ তিৰোভাৱৰ পৰা শ্ৰীশ্ৰীমাধৱদেৱৰ তিৰোভাৱ পৰ্যন্ত (১৫৬৮ খৃঃ-১৫৯৬ খৃঃ)।

শ্ৰীশ্ৰীমাধৱদেৱৰ আত্মলঘিমা গুণ ইমান বেছি আছিল যে, তেৰাৰ জন্মস্থান, বংশ, আনকি পিতৃৰ নাম পৰ্যন্ত তেৰাৰ লিখনিত প্ৰকাশ পোৱা নাই। থুলমূলকৈ তেৰাৰ পিতৃৰ নাম গোৱিন্দগিৰী ভূঞাৰ উপৰিও দীঘলপুৰীয়া, বৰকণাগিৰী, মহোদৰ আদিও জনাজাত। বৰ্তমান বাংলাদেশৰ ৰংপুৰ জিলাৰ বাণ্ডুকা (বণ্ডুকাও) নামৰ ঠাইত গোৱিন্দগিৰীৰ জন্ম; প্ৰথমাভাৰ্যা অনুচিতাৰ গৰ্ভত দামোদৰ নামৰ এজন পুত্ৰৰ বাণ্ডুকাতে জন্ম হৈছিল। কিছু বছৰৰ পিছত ভাৰ্যাৰ মৃত্যু হোৱাত দামোদৰৰ ওপৰত সমস্ত দায়িত্ব দি গোৱিন্দগিৰী কামৰূপ পালেহি আৰু শিৰোমণি ভূঞাৰ নিৱাসস্থল বৰদোৱালৈ আহি শ্ৰীমন্ত শঙ্কৰদেৱৰ লগত পৰিচয় ঘটিল আৰু বৰদোৱাৰ টেম্বুৱানিত ঘৰ-বাৰী সজাই দি খুড়াক এজনৰ জীয়েক মনোৰমাক বিয়া দি তাতে থাকিবলৈ দিলে। এই মনোৰমাই শ্ৰীশ্ৰীমাধৱদেৱৰ মাতৃ।

মনোৰমাৰ গৰ্ভাৱস্থাত ৰাজনৈতিক অশান্তিৰ আশঙ্কা কৰি গোৱিন্দগিৰীয়ে টেম্বুৱানি এৰি আঠজন দুলিয়াই কঢ়িওৱা এখন দোলাত মূল্যবান বয়-বস্তু লৈ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰলৈ ৰাওণা হ'ল। বাটত জিৰাওঁতে উভয়ৰে টোপনি অহাত দুলিয়াহঁতে সমস্ত বস্তু চুৰি কৰি পলাল। দৈৱবশতঃ আহোমৰ ৰাজবিষয়া হৰিশিঙা বৰা উজিৰ নামেৰে উজাই ব্ৰহ্মপুত্ৰেদি নিজৰ ঘৰলৈ আহোতে ঠেৰুহীন গোৱিন্দগিৰীক লগ পালে আৰু সমস্ত ঘটনা শুনি মনোৰমাসহ স্বামীক লৈ নিজৰ টোলত স্থান দিলে। এই উজিৰৰ আশ্ৰয়ত থাকোঁতেই ১৪১১ শক (১৪৮৯ খৃঃ) ত শ্ৰীশ্ৰীমাধৱদেৱৰ জন্ম হয়। জন্মৰ স্থান ৰঙাজানৰ উজিৰৰ টোলত।

উজিৰৰ মৃত্যু হ'ল, দেশত আকাল হোৱাত ভাৰ্যা আৰু পুত্ৰ মাধৱদেৱক লৈ গোৱিন্দগিৰীয়ে ৰঙাজান এৰি নানা ঘাত-প্ৰতিঘাতৰ মাজেদি পূৰ্বৰ পৰিচিত ঘাগৰীমাজীৰ গৃহত ঘাগৰত থাকিবলৈ ল'লে। মাজীৰ ঘৰত থাকোতেই উৰ্বশী নামৰ কন্যা এটিৰ জন্ম হয়। বিয়া দিবৰ বয়স হোৱাত মাজীৰ ঘৰ এৰি গোৱিন্দগিৰী ভাণ্ডাৰী

ডুবি পালে আৰু তাতে ৰামদাস ভূএগ্ৰা (গয়াপাণি) নামৰ এজন কায়স্থ ডেকাৰ লগত উৰ্বশীক বিয়া দিলে। কিছুদিনৰ পিছত ভাৰ্যা মনোৰমাক জীয়েক-জোৱাঁয়েকৰ ঘৰত থকাৰ বন্দোৱস্ত কৰি মাধৱদেৱক লগত লৈ গোৱিন্দগিৰী পূৰ্বৰস্থান বাণ্ডুকা পালে। তাতে ৰাজেন অধ্যাপকৰ টোলত মাধৱদেৱক ভৰ্তি কৰি বিদ্যালাভৰ সুবিধা কৰি দিলে।

কিছুদিনৰ ভিতৰতে মাধৱে কায়স্থিকাবৃত্তি (খাতা আদি লিখা)ৰ বাহিৰেও ন্যায়, তৰ্ক নীতি, সংস্কৃত ব্যাকৰণ, মহাভাৰত ন্যায়, তৰ্ক নীতি, সংস্কৃত ব্যাকৰণ, মহাভাৰত আদি অধ্যয়ন কৰিলে। ইতিমধ্যে বাণ্ডুকাত পিতাকৰ মৃত্যু হয়, পিতাকৰ পাৰলৌকিক কৰ্ম সমাপন কৰি কিছুদিনৰ পিছত মাধৱদেৱে বাণ্ডুকা এৰি ভাণ্ডাৰী ডুবিত থকা মাকৰ ওচৰ পাই পিতৃ বিয়োগৰ সম্বাদ দিয়ে আৰু শোকাকুলা মাতৃক সান্ত্বনা দিয়ে। বৈনায়েক ৰামদাসৰ প্ৰচেষ্টাত পৰম বৈষ্ণৱ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু ঘোৰ শাক্ত মাধৱদেৱৰ মিলন ঘটে আৰু উভয়ৰে মাজত কেইবা ঘণ্টাও জুৰি তুমুল বাদ হয়। নানা দেৱ-দেৱীৰ পূজা, পূজাত বলি বিধান আদিৰ শ্ৰেষ্ঠাতা বুজাবলৈ গৈ মাধৱদেৱে প্ৰবৃত্তি মাৰ্গী তৰ্ক কৰিবলৈ আৰম্ভ কৰিলে, এইমত খণ্ডন কৰিবলৈ গৈ শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰবৃত্তি মাৰ্গৰ ব্যৰ্থতা আৰু একমাত্ৰ ব্ৰহ্ম, সৰ্বব্যাপক বিষ্ণু "ভগৱান স্বয়ং" কৃষ্ণৰ আৰাধনাৰ মহত্ত্বসূচক নিবৃত্তি মাৰ্গী প্ৰমাণৰ উল্লেখ কৰিবলৈ ধৰিলে। কথিত আছে যে, সৰ্বশেষত শ্ৰীমন্ত শঙ্কৰদেৱে মূল ভাগৱতৰ এটি শ্লোক উচ্চাৰণ কৰিলে—

"যথা তৰোৰ্মূল নিষেচনেন
তৃপ্যন্তি তৎস্কন্ধভুজোপশাখাঃ।
প্ৰাণোপহাৰাচ্চ যথেন্দ্ৰিয়াণাং
তথৈৱসৰ্বাৰ্হতণমচ্যুতেজ্যা।।"
(৪।৩১।১৪)

এই শ্লোক শুনাৰ লগে লগে মাধৱদেৱ অভিভূত হ'ল। সেই মুহূৰ্ততে শ্ৰীমন্ত শঙ্কৰদেৱক গুৰু মানি মাধৱদেৱে সেৱা জনালে আৰু পিছদিনাই যথাৰীতি শৰণ গ্ৰহণ কৰি 'প্ৰাণৰ বান্ধৱ' 'বঢ়াৰ পো'ত শ্ৰীশ্ৰীমাধৱদেৱ পৰিৱৰ্তন হ'ল। চৰিতকাৰ সকলৰ মতে শঙ্কৰ-মাধৱৰ এই মিলনক 'মণিকাঞ্চন সংযোগ' বোলা হয়। মাধৱদেৱ এই সময়ত ৩২ বছৰীয়া চফল ডেকা।

মাধৱদেৱৰ জীৱনৰ দ্বিতীয় পৰ্যায় আৰম্ভ হ'ল। বৈনায়েকৰ ঘৰৰ পৰা গুৰুজনাৰ ওচৰলৈ অহি নিত্য প্ৰসঙ্গত ভাগ লোৱা মাধৱদেৱৰ প্ৰধান কাম হল। চিৰ কৌমাৰ্যব্ৰতত ব্ৰতী হোৱাৰ সিদ্ধান্তও এই সময়ৰে। গুৰুৰ আদেশ পালন আৰু গুৰু সেৱা— এই দুই আদৰ্শ জীৱনৰ আদৰ্শ কৰি ল'লে।

শৰণীয়া মাধৱদেৱে নাম প্ৰসঙ্গত দৈনিক যোগ দিয়াৰ ফলত ধুৱাহাতাত ঘৰে ঘৰে প্ৰসঙ্গ হ'বলৈ ধৰে আৰু ধুৱাহাতা নামৰ ধ্বনিৰে প্ৰতিধ্বনিত হৈ নামৰ প্ৰচাৰ আৰু প্ৰসাৰ হ'বলৈ ধৰে। মাধৱদেৱ সুকণ্ঠী আৰু সঙ্গীতজ্ঞ আছিল। ইয়াতেই গুৰু ভটিমা লিখি শ্ৰীমন্ত শঙ্কৰদেৱ যে, ঐশ্বৰিক শক্তিপ্ৰাপ্ত গুৰু এই মতবাদৰ প্ৰতিষ্ঠা দৃঢ় কৰিলে আৰু এই নৱ বৈষ্ণৱ ধৰ্মৰ প্ৰতি অনেক নতুন নতুন লোক আহি এই ধৰ্ম গ্ৰহণ কৰিবলৈ ধৰিলে।

ধুৱাহাতাত নাম প্ৰচলন ক্ৰমান্বয়ে বৃদ্ধি, ৰাইজৰ সমাগম, ন ন লোকৰ নামৰ প্ৰতি আকৰ্ষণ আৰু যোগদান দেখি শুনি কৰ্মকাণ্ডীসকলৰ বিৰোধভাৱ আৰু ৰাজকোপৰ দৃষ্টি ভূএগ্ৰাসকলৰ ওপৰত পৰিল আৰু হাতী ধৰা ফন্দি এটা উলিয়াই বনৰীয়া হাতী ধৰিবৰ কাৰণে ধুৱাহাতাৰ ভূএগ্ৰা সকললৈ ৰজাঘৰৰ পৰা আদেশ আহিল, দুৰ্ভাগ্যবশতঃ গড় ভাঙি ভূএগ্ৰাসকলৰ ফালৰ গড়-হাতী পলাল। ভয়ত ভূএগ্ৰাসকল পলাল আৰু ৰাজদূতে

মাধৱদেৱক আৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ জোঁৱায়েক হৰিক বন্দী কৰিলে, বিচাৰত হৰিক প্ৰাণদণ্ড আৰু উদাসীন কাৰণে মৃত্যুদণ্ডৰ পৰা মাধৱদেৱক ৰেহাই দিলে। এইবিলাক কাৰণতে আহোম ৰাজ্য এৰি কোঁচ ৰাজ্যলৈ যাবৰ কাৰণে শ্ৰীমন্ত শঙ্কৰদেৱে সিদ্ধান্ত ল'লে। ইতিমধ্যে মাধৱদেৱো আহোমৰ নজৰবন্দীৰ পৰা মুক্ত হৈ শ্ৰীমন্ত শঙ্কৰ গুৰুৰ লগ লাগিলহি। মাধৱদেৱ, ৰামদাস আদি দলটোৱে ধুৱাহাতা না'ৱেৰে এৰি ক্ৰমে কলাকটা, খাগৰিকটা, কলিয়াবৰ কপলাবাৰী (বাটপাবাৰী) পাই ছমাহমান আছিল আৰু এই কপলাবাৰীতে মাধৱদেৱৰ মাতৃৰ মৃত্যু হয়। স্থানটুকুৰা স্বাস্থ্যকৰ নেদেখি পুনৰ ভটিয়াই গৈ বৰপেটাৰ পালন্দি, চূণপোৰা পায়। শ্ৰীশঙ্কৰদেৱে পাটবাউসীত থাকিল আৰু ৰামদাসৰে সৈতে মাধৱদেৱ বাৰাদিত থাকিল। বাৰাদিত ৩ বছৰ থাকি মাধৱদেৱ গণককুচিত থাকিবলৈ ল'লে। এই গণককুচিত মাধৱদেৱ ১৮ বছৰ (সম্ভৱ ১৫৫০ চন-১৫৬৮ চন) থাকিল।

পাটবাউসীত থাকোতেই শ্ৰীমন্ত শঙ্কৰদেৱে ১৫৫০ চনত দ্বিতীয়বাৰ তীৰ্থ যাত্ৰা কৰোতে মাধৱদেৱো গুৰুজনাৰ লগত গৈছিল। লগে লগে ফুৰোতেই মাধৱদেৱে বৰগীত আৰু ঘোষা ৰচি, কীৰ্তন কৰি গৈছিল। তীৰ্থ যাত্ৰাৰ পৰা উভতি আহি অৰ্জুন ভঞ্জন নাট; জন্ম ৰহস্য, আদিকাণ্ড (ৰামায়ণ), ৰাজসূয়, ভক্তি-ৰত্নাৱলী আদিৰ উপৰিও কিছুমান ঘোষা আৰু ভটিমা লিখে। শেষবাৰৰ কাৰণে শ্ৰীশঙ্কৰদেৱে পাটবাউসী এৰোতে মাধৱদেৱৰ গণককুচিত এৰাতি বঞ্চে। ১৫৬৮ চনত কোচবেহাৰত শ্ৰীমন্ত শঙ্কৰদেৱৰ তিৰোভাৱ ঘটে। শেষৰ কেইমাহমানৰ বাহিৰে শ্ৰীশ্ৰীমাধৱদেৱ শ্ৰীশ্ৰীশঙ্কৰদেৱৰ লগত ছায়াস্বৰূপেই দিন যাপন কৰিছিল।

শ্ৰীমন্ত শঙ্কৰদেৱৰ উত্তৰাধিকাৰী যে শ্ৰীশ্ৰীমাধৱদেৱহে— এই ঘোষণা শ্ৰীমন্ত শঙ্কৰদেৱৰ জ্যেষ্ঠ পুত্ৰ ৰামানন্দইহে জনসমাজত জনায়। ইয়াৰ পিছতে ৰামদাসে গণককুচি এৰি সুন্দৰীদিয়ালৈ যায় আৰু মাধৱদেৱে গুৰুপত্নীৰ সেৱা-সৎকাৰ কৰি পাটবাউসীত থাকিল। উদাসীন মাধৱদেৱৰ বিৰুদ্ধে কোনো কোনোৱে অপবাদ উলিৱাত অন্তৰত কষ্ট পাই কোচবেহাৰলৈ যাবৰ কাৰণে গুৰুপত্নীৰ ওচৰত অনুমতিৰ প্ৰাৰ্থনা জনালে। গুৰুপত্নীয়ে কিন্তু কোচবেহাৰলৈ যাবলৈ নিদি সুন্দৰীদিয়ালৈ যাবলৈহে আদেশ দিলে। ফলতঃ, মাধৱদেৱ সুন্দৰীদিয়ালৈ গৈ থাকিবলৈ ল'লে।

সুন্দৰীদিয়াত থাকোতে মাধৱদেৱে ভাগিনিয়েক ৰামচৰণ ঠাকুৰৰ পৰা যথেষ্ট সেৱা-সৎকাৰ, সহায়-সহযোগ লাভ কৰিছিল। ইয়াতে নাম-ঘোষাৰ অনেক ঘোষা, চোৰধৰা আদি ঝুমুৰা, নৃ-সিংহ যাত্ৰা আদি ভাওনা কৰি ৰাইজক আকৰ্ষণ কৰাৰ উপৰিও একশৰণ নাম-ধৰ্মৰ স্থায়ী ভিত্তিৰ নিৰ্মাণৰ কাৰণে শ্ৰীশ্ৰীমাধৱদেৱে যত্নপৰ হৈছিল। ইয়াতে বুঢ়াআতা, বংশীগোপাল আদি ভালেমান বৈষ্ণৱৰ সমাগম হৈছিল।

মাজতে সুন্দৰীদিয়া এৰি বৰপেটালৈ মাধৱদেৱ আহিব লগা হয়। বৰপেটাত কীৰ্তনঘৰ নিৰ্মাণ কৰি নাম-কীৰ্তনৰ ব্যৱস্থা আৰু ভাওনা, ঝুমুৰা প্ৰদৰ্শনৰো ব্যৱস্থা কৰে। এই বৰপেটাতো কৰ্মকাণ্ডী সকলৰ নানা নিন্দাবাণীৰ প্ৰচাৰত কোচৰজা ৰঘুদেৱ নাৰায়ণ (১৫৮০-১৬০৩ চন)ৰ হুকুমত মাধৱদেৱক ধৰাই নি ছমাহ আবদ্ধ কৰি ৰাখি শেষত নিৰ্দোষী পাই বৰপেটালৈ ঘূৰাই পঠায়। বিৰোধী কৰ্মকাণ্ডীসকল শান্ত ন'হল, শেষত মথুৰাদাস বুঢ়া আতাৰ ওপৰত বৰপেটাৰ দায়িত্ব চমজাই তেখেত সুন্দৰীদিয়ালৈ পুনৰ গ'ল। ৰজাঘৰৰ পুনৰ হুকুম আহিল সুন্দৰীদিয়া এৰি হাজোলৈ আহিবলৈ। তিনিমাহ ব্ৰহ্মপুত্ৰৰ পাৰত আৰু ছমাহ হাজোত কটাব লগা হ'ল। হাজোত থকা কালত হয়গ্ৰীৱ মাধৱৰ মূৰ্তিতকৈ শ্ৰীশ্ৰীমাধৱদেৱৰ। চৰলৈ যোৱা জনতাৰ বৃদ্ধি দেখি ৰাজৰোষত পৰিব লাগিব বুলি সন্দেহ কৰি তেৰাই কামৰূপ পৰিত্যাগ কৰি কোচবেহাৰলৈ যাবলৈ সিদ্ধান্ত কৰে আৰু চাৰিজন ভক্ত আৰু ভৃগু নামৰ এজন ব্ৰহ্মণক লৈ সোণকোষ নদী পাৰ হয় আৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ পূৰ্ব নিবাসস্থান ভোলাডঙাত থিতাপি লয়।

ভেলাডঙাতে শ্ৰীমন্ত শঙ্কৰ গুৰুৰ নানা ঠাইত ৰচিত বেলেগ অধ্যায় সংকলন কৰি কীৰ্তন-ঘোষাক বৰ্তমান ৰূপত সম্পূৰ্ণ কৰে আৰু নাম-ঘোষাকো সম্পূৰ্ণ কৰে। ৰাজমন্ত্ৰী বিৰূপাক্ষ কাজীৰ অনুৰোধত মাধৱদেৱে নাম-মালিকাৰ অনুবাদ কৰে। বিৰোধী পক্ষই লাহে লাহে কোচবেহাৰতো সজাগ হৈ উঠে। ৰাজমাতা, ৰাজমহিষী ৰাজকুমাৰী, অনেক ৰাজকৰ্মচাৰীয়ে একশৰণ নাম-ধৰ্মৰ মত গ্ৰহণ কৰি শৰণ গ্ৰহণ কৰিলে। সৰ্বশেষত ৰজা লক্ষ্মীনাৰায়ণে মাধৱদেৱৰ পৰা শৰণমন্ত্ৰ প্ৰাৰ্থনা কৰাত শঙ্কৰ গুৰুৰ উদাহৰণ অনুৰূপে ধৰ্মগুৰু মাধৱদেৱে ইহলীলা সম্বৰণ কৰে। ৰজা একশৰণৰ অপাত্ৰ, এই মূলনীতি ভঙ্গ হোৱাতকৈ দেহত্যাগেই শ্ৰেয়ঃ বুলি গুৰু বস্তুৱে দেখুৱাই গ'ল।

"সৰ্বগুণাকৰ" বুলি শ্ৰীশ্ৰীমাধৱদেৱে শ্ৰীমন্ত শঙ্কৰ গুৰুক ঘোষণা দিছে। মাধৱদেৱো সৰ্বগুণী মহাপুৰুষ। ভৱানীপুৰীয়া গোপাল আতাৰ বৰ্ণনা মতে—

"তিনিযুগ ভৈল শেষ কলি বলী পৰৱেশ
লোকক পীড়িলা ঘোৰ পাপে।
শুষি নিলে আত্ম তত্ত্ব ভৈল লোক উনমত্ত
পুৰি মাৰে সংসাৰৰ তাপে।।
লোকৰ কুশল হেতু ভৈলন্ত বাৰিষা ঋতু
মিলিলা শঙ্কৰ ৰূপে হৰি।
মাধৱ গম্ভীৰ মেঘ বৰষিলা অবিছেদ
হৰিনাম জল জগভৰি।।"

একশৰণ হৰিনাম ধৰ্মৰ ক্ষেত্ৰত মহাপুৰুষ শঙ্কৰদেৱ বৰ্ষা ঋতু গম্ভীৰ মেঘ হৈ অবিৰাম নামবৃষ্টিৰে নামৰ ঢল বোৱালে মহাপুৰুষ মাধৱদেৱেহে। স্পষ্টবাদিতা মহাপুৰুষ মাধৱদেৱৰ বৈশিষ্ট্য। তেৰাৰ এটা বৰগীত চাওক ঃ

ধ্ৰুং— "ৰে মন সেৱহু হৰিকহু চৰণা
নিকটে দেখহু নিজ মৰণা।
দেখত হৰিকহু চৰণ শৰণ বিনে
নাহি নাহি ভৱ ভয় তৰণা।।
পদ— চাৰিবেদ পুৰাণ যত ভাৰত
গীতা ভাগৱত চাই।
ওহি সাৰ বিচাৰ কয় ভাযত
হৰি বিনে তাৰক নাই।।
সনক সনাতন মুনি শুক নাৰদ
চতুৰ বয়ন শুলপাণি।
সহস্ৰ বয়ন আদি গাৱত হৰিগুণ
সকল নিগম তত্ত্ব জানি।।
কৃষ্ণনাম যশ পৰম অমিয়া ৰস
গাৱত মুকুত নিশেষ।
পৰম মুৰুখ মতি কহয় মাধৱ দীন
শঙ্কৰ গুৰু উপদেশ।।"

দুয়োজন মহাপুৰুষ অভেদাত্মাস্বৰূপ; শঙ্কৰ গুৰুক যদি সম্পূৰ্ণকৈ কোনোবাই জানিছিল সেইজন বঢ়াৰ গো মাধৱদেৱ। মাধৱদেৱে শঙ্কৰ গুৰুৰ উপদেশ বুলি তলত দিয়া বিষয়কেইটাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিছে--- (১) ভৱ-ভয় তৰণৰ এক মাত্ৰ উপায় হৰিৰ চৰণত শৰণ; (২) চাৰি বেদ, পুৰাণ সমূহ, মহাভাৰত, গীতা ভাগৱত--- এই সকলো শাস্ত্ৰৰ সাৰ বাণী---হৰিৰ বাহিৰে আমাক আনে তাৰিবে নোৱাৰে; (৩) ব্ৰহ্মা, ৰূদ্ৰ, চাৰিসিদ্ধ, শুক, নাৰদ আদিয়ে বেদৰ-তত্ত্ব হৰিগুণ বুলি জানি হৰিগুণ কীৰ্তন কৰে আৰু (৪) মুক্ত পুৰুষ সকলেও পৰম অমৃত স্বৰূপ হৰিৰ নাম আৰু যশৰ কীৰ্তন কৰে।

শ্ৰীশ্ৰীমাধৱদেৱৰ নামঘোষা মহাপুৰুষজনাৰ অপূৰ্ব সৃষ্টি। এই গ্ৰন্থৰ মাহাত্ম্য কিমান এটি ঘটনাৰ উল্লেখ কৰিলেই উপলব্ধি হ'ব। মথুৰা দাস বুঢ়াআতা আদিৰ উপস্থিতিত মহাপুৰুষ মাধৱদেৱৰ উত্তৰাধিকাৰী কোন হ'ব এই প্ৰশ্নৰ উত্থাপন ভক্ত সৰে শ্ৰীশ্ৰীমাধৱদেৱৰ ওচৰত কৰিছিল। এই প্ৰশ্নত মহাপুৰুষজনাই গম্ভীৰ চিন্তা কৰি নাম-ঘোষাৰ নাম ঘোষণা দিলে। দৈত্যাৰি ঠাকুৰৰ ভাষাত---

"যিসব লক্ষণে গুৰু পাইবাক লাগয়।
সি সব লক্ষণে গুৰু পাইবে নাহি কয়।।"

লগে লগে এইটোও ঘোষণা দি গ'ল।

"দেখা ঘোষা পুথিখনি আমাৰ আছয়।
সবে কহি আছো যিবা কহিবে লাগয়।।
তাহাৰ অৰ্থক যিবা জনে বুজিবেক।
সেহিজনে জানা লাগ পাইবেক আমাক।।
ঘোষাতে সমস্ত মোৰ বল বুদ্ধি যত।
যাৰ যাৰ ভাগ্য আছে বুজিবে সমস্ত।।"

ভাগৱত শাস্ত্ৰ ভগৱন্তৰ যিদৰে বাঙ্ময়ী মূৰ্তি, দশম-কীৰ্তন শ্ৰীমন্ত শঙ্কৰদেৱৰ, ঘোষা-ৰত্নাৱলী শ্ৰীশ্ৰীমাধৱদেৱৰ একেদৰেই বাঙ্ময়ী মূৰ্তি।

নাম-ঘোষা সম্পৰ্কে সাহিত্যৰথী বেজবৰুৱাদেৱৰ মত চিৰস্মৰণীয় "মোক মানুহে গণ্ডপ মৰা বুলিব পাৰে; এচকুৱা বুলিব পাৰে; বোলক তাত মোৰ দুখ নাই। কিন্তু মোৰ মুখত কোনেও সোপা দিব নোৱাৰে,--- যদি মই গল মেলি কওঁ যে, ভাৰততহে নালাগে পৃথিবীৰ কোনো সুসভ্য দেশত এনে এখন scripture বা শাস্ত্ৰ আজিও ওলোৱা নাই, যাক আমাৰ এই ঘোষা শাস্ত্ৰখনেৰে সৈতে একে শাৰীতে ঠগিত থব পাৰি। ই, ঈশ্বৰৰ চৰণত কায় বাক্য মনেৰে নিজক সপি দি ঈশ্বৰত নিমগ্ন হৈ যোৱা ভকতৰ হৃদয়ৰ তলিৰ পৰা ওলোৱা কাৰুণ্য-স্তুতিৰ উহ। অকল সিয়েই নহয়, সেই আবাঙ্মনস গোচৰ অথচ সচ্চিদানন্দময়ৰ আনন্দানুভৱৰ মূৰ্তিৰ অভয় চৰণত ভকতৰ অন্তৰৰ পৰা আপোনা-আপুনি উথলি পৰা পৰমানন্দ তৰঙ্গ-প্ৰৱাহৰ পুষ্পাঞ্জলি।"

মুঠতে, "নাম-ঘোষা" মহাপুৰুষীয়া তথা একশৰণ হৰিনাম্ ধৰ্ম"ৰ গীতা শাস্ত্ৰ। এই শাস্ত্ৰত 'কি আছে' বুলি প্ৰশ্ন তোলাতকৈ 'কি নাই' বুলি প্ৰশ্ন কৰি অধ্যয়ন কৰিলেহে সুফল পোৱা যাব। এই শাস্ত্ৰ ভাগৰ প্ৰথম দুটা শব্দ--- "মুক্তিতো নিস্পৃহ" প্ৰয়োগ মন কৰিবলগীয়া। ধন-সম্পত্তি, সতি-সন্ততি, ভুকুতি-মুকুতি ইহকালৰ কাৰণে, স্বৰ্গৰ নানা সুখৰ পোহাৰ পৰকালৰ কাৰণে হাবিয়াস কৰা মানৱ মাত্ৰৰে স্বভাৱ আৰু সেই ভোগসমূহ সহজলভ্য হ'ব বুলি আশা দি নানা বস্তু, টকাকড়ি সৰকোৱা পুৰোহিত নামৰ এটা দলো সমাজতে আছে।

বৰ্তমান সময়ত কৰ্তব্যবোধত কৰ্ম কৰা লোক বৰ বিৰল। ঐহিক, পাৰত্ৰিক ভোগৰ বাঞ্ছা কৰি আৰু ঐহিক, পাৰত্ৰিক লোকচান বা শাস্তিলৈ ভয় কৰি কৰ্ম সম্পাদন কৰা লোকেই অধিক। লোভ আৰু ভয় এই দুই তত্বহে লোক প্ৰৱৰ্তক শক্তি। আনহাতে কায়-বাক্য-মন আৰু মোৰ বুলি ভবা সৰ্বস্ব ভগৱন্তৰ চৰণত শোধাই দি নিশ্চিন্ত হ'বৰ হেতু "মুক্তিতো নিস্পৃহ" হবৰ কাৰণে পৰোক্ষভাৱে উদগনি দিছে। জনসাধাৰণৰ কাৰণে দ্বিতীয় মহৎ দান— বৰ্ণাশ্ৰম ধৰ্মৰ পৰা বন্ধন মুক্ত কৰা। কিন্তু ইয়াত এটা সৰ্ত আছে— ভগৱন্ত কৃষ্ণৰ "দাসৰো দাসৰ তান দাস" হ'ব লাগিব। পাপী-নিষ্পাপী, ব্ৰাহ্মণ-চণ্ডাল, জ্ঞানী-অজ্ঞানী, ধনী-দৰিদ্ৰ, সধবা-বিধবা সকলো মনুষ্য এটা সংগঠনলৈ আহি একতা ভাৱৰ সৃষ্টিৰ এয়ে সৰ্বোৎকৃষ্ট স্থল।

*Scanned and stored on the Net by http://atributetosankaradeva.org/*
*Thursday, March 22, 2012*

*Title:- 'Sri Sri Madhavadevar Smritit Puspanjali' (শ্ৰীশ্ৰীমাধৱদেৱৰ স্মৃতিত পুষ্পাঞ্জলি)*
*Author:- Sonaram Chutiya*

*Summary/Brief Description: - A Tribute to Madhavadeva. If Sankaradeva is the rainy season, Madhavadeva is the 'gambhira megha' (towering rain-bearing cloud) bringing down the flood of Hari-Nama.*

*Source:- 'Vaisnava Pandit Sri Sonaram Chutiya Racanavali ' (বৈষ্ণৱ পণ্ডিত শ্ৰীসোণাৰাম চুতীয়া ৰচনাৱলী), Essays of Vaisnava Pandit Sri Sonaram Chutiya;*
*Edited by Dharmeswar Chutiya; Srimanta Sankaradeva Sangha,*
*1st Edition : 1998 : Guwahati*

*For more Essays of Vaisnava Pandit **Sri Sonaram Chutiya**, see:-*

- http://atributetosankaradeva.org/rachanavali.htm

*For more documents and articles (in English as well as Assamese) on the Life, Works and Teachings* of ***Sankaradeva**, the propagator of **Eka-Sarana-Hari-Nāma-Dharma**, see:-*

- http://atributetosankaradeva.org/ebooks.htm
- http://atributetosankaradeva.org/ebooks_assamese.htm